No. of Printed Pages—6

80–83 (ASB 3)

[16–HRAGDA–M3]

MA 3rd Semester Exam., 2016

ASSAMESE

[MAS (S3) 10]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

(অসমীয়া ভক্তি-সাহিত্য)

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০টা শব্দৰ ভিতৰত) : ২×৫=১০

(ক) 'ৰত্নাকৰ' শব্দটোৰ অৰ্থ কি ? শংকৰদেৱ বিৰচিত 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনৰ বিষয়বস্তু কি আছিল ?

(খ) প্ৰকৰণ গ্ৰন্থ মানে কি ? ইয়াৰ প্ৰধান লক্ষণসমূহ কি কি ?

(গ) 'ভক্তি বিবেক' গ্ৰন্থখনৰ অন্তৰ্গত প্ৰকৰণকেইটাৰ নাম উল্লেখ কৰক।

(ঘ) পুৰাণৰ দুটা প্ৰধান লক্ষণৰ বিষয়ে লিখক।

(ঙ) মনসা কাব্য বুলিলে কি বুজে ?

(চ) ৰুচিনাথ কন্দলীয়ে কোনগৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০টা শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) 'ভক্তি' বুলিলে কি বুজে ? উদাহৰণসহ বুজাই লিখক।

(খ) অসমীয়া ভক্তি-সাহিত্যৰ অনুবাদৰীতি কেনে আছিল ? উদাহৰণসহ বুজাই লিখক।

(গ) অসমীয়া ভক্তি পন্থাৰ অন্তৰ্গত দামোদৰীয়া পন্থাৰ বিষয়ে এটি আলচ যুগুত কৰক।

(ঘ) আপোনাৰ পাঠ্যবিষয়ৰ অন্তৰ্গত 'শিৱ পুৰাণ'খনৰ ৰচয়িতাজনৰ বিষয়ে চমুকৈ লিখক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০টা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) চমু টোকা লিখক : কবীৰ

(খ) অসমীয়া ভক্তি-সাহিত্যৰ আদৰ্শ আৰু সীমাবদ্ধতাৰ বিষয়ে লিখক।

(গ) 'মাৰ্কণ্ডেয় পুৰাণ'ৰ কোনকেইটা অধ্যায়ৰ ওপৰত ভিত্তি কৰি ৰুচিনাথ কন্দলীয়ে 'শ্ৰীশ্ৰী চণ্ডী' ৰচনা কৰিছে ?

(ঘ) ৰুচিনাথ কন্দলীয়ে ৰচনা কৰা 'শ্ৰীশ্ৰী চণ্ডী'ত দেৱী মাহাত্ম্য কিদৰে প্ৰতিভাত হৈছে, বুজাই লিখক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০টা শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) সৰ্বভাৰতীয় পৰ্যায়ত আৰম্ভ হোৱা ভক্তি আন্দোলনৰ আৰ্থ-সামাজিক পটভূমি সম্পৰ্কে বহলাই আলোচনা কৰক।

(খ) শংকৰোত্তৰ কালত অসমীয়া ভক্তি-সাহিত্যৰ ধাৰাই কি ৰূপ পৰিগ্ৰহ কৰিছিল সেই বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

(গ) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনত শংকৰদেৱৰ ধৰ্মীয় দৰ্শন কেনেদৰে ব্যক্ত হৈছে, উদাহৰণসহ বুজাই লিখক।

(ঘ) 'ভক্তি বিবেক' গ্ৰন্থখনৰ আধ্যাত্মিক তত্ত্ব সম্পৰ্কে এটি আলচ যুগুত কৰক।

(ঙ) অসমীয়া শৈৱ সাহিত্যত ৰুদ্ৰসিংহই ৰচনা কৰা 'শিৱ পুৰাণ'খনৰ স্থান নিৰূপণ কৰক।

(ভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয়)

১। তলৰ যি কোনো পাঁচটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০টা শব্দৰ ভিতৰত) : ২×৫=১০

(ক) ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ দুটা পাৰ্থক্য উল্লেখ কৰক।

(খ) উপভাষা বিজ্ঞানৰ চমু পৰিচয় আগবঢ়াওক।

(গ) সুভাষণ আৰু নম্ৰতা প্ৰদৰ্শনে শব্দৰ অৰ্থ কেনেদৰে পৰিৱৰ্তন কৰে, উদাহৰণসহ দেখুৱাই দিয়ক।

(ঘ) পৃথিৱীত সৰ্বমুঠ কিমানটামান ভাষা আছে? সেই ভাষাসমূহক কেইটা ভাগত ভাগ কৰা হৈছে?

(ঙ) অষ্ট্ৰ'-এছীয় (Austro-Asiatic) শাখাৰ কোল বা মুণ্ডা (Kol or Munda) শাখাৰ ভাষাৰ চমু পৰিচয় দিয়ক।

(চ) নোৱম্ চম্স্কিয়ে (Noam Chomsky) 'ভাষাগত বিশ্বজনীনতা' তত্ত্বৰে কি বুজাইছে, উল্লেখ কৰক।

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০টা শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) ভাৰতবৰ্ষৰ ব্যাকৰণচৰ্চাৰ আলোচনাত মহৰ্ষি পাণিনিৰ বৰঙণি বিশ্লেষণ কৰক।

(খ) ফাৰ্ডিনাণ্ড দ্যা চ্যুৰে সমকালীন ভাষাবিজ্ঞানেৰে (synchronic linguistics) বুজাব বিচৰা কথাখিনি ব্যাখ্যা কৰক।

(গ) ভাষাবিজ্ঞানৰ আলোচনাত ৰূপতত্ত্বই (morphology) কি কি কথা সামৰি লয়, চমুকৈ উল্লেখ কৰক।

(ঘ) ভাৰতীয় আৰ্য ভাষাৰ বিষয়ে এটি টোকা লিখক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০টা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) ভাষাৰ সৃষ্টি কেনেদৰে হয়, আলোচনা কৰি ভাষাবিজ্ঞানৰ আলোচনীত পণ্ডিতসকলে কি কি স্তৰৰ মাজেৰে আগবাঢ়িবলগীয়া হয়, ব্যাখ্যা কৰক।

(খ) শব্দাৰ্থ পৰিৱৰ্তনৰ বিভিন্ন ধাৰাসমূহ উদাহৰণসহ ব্যাখ্যা কৰক।

(গ) পৃথিৱীত পোৱা আদিম ভাষাবৰ্গৰ অন্তৰ্গত ভাষাৰ বিষয়ে এটি আলোচনা কৰক।

(ঘ) ভাষাৰ অধ্যয়ন কেতিয়াৰ পৰা বিজ্ঞান হিচাপে গঢ় লৈ উঠে উল্লেখ কৰি প্ৰাচ্য-পাশ্চাত্যত ভাষাচৰ্চাৰ ইতিহাস সম্পৰ্কে আলোচনা কৰক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০টা শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ স্বৰূপ ব্যাখ্যা কৰি ভাষা-চৰ্চাৰ এই দুই ধাৰাৰ মাজৰ পাৰ্থক্যসমূহ উল্লেখ কৰক।

(খ) প্রায়োগিক ভাষাবিজ্ঞান (applied linguistics) আৰু মনোভাষা বিজ্ঞান (psycho-linguistics)— ভাষাবিজ্ঞানৰ এই দুটি শাখাৰ বিষয়ে আলোচনা দাঙি ধৰক।

(গ) ধ্বনিবিজ্ঞানৰ (phonetics) বিভিন্ন স্তৰ আৰু বর্ণ-বিজ্ঞানৰ (phonemics) আলোচ্য বিষয় ব্যাখ্যা কৰক।

(ঘ) পৃথিৱীৰ অন্যতম বৃহৎ চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ বিষয়ে এটি আলোচনা কৰক।

(ঙ) নোৱম্ চম্স্কিৰ (Noam Chomsky) ভাষাবিজ্ঞান সম্পর্কীয় আলোচনাসমূহ ব্যাখ্যা কৰক।

★ ★ ★